**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-05-2025 **Time :** 07-55 Hrs.

## <u>Assamese Morning Bulletin</u>

অসম চৰকাৰে ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ ঘোষণা কৰাৰে পৰা প্ৰশাসনিক ক্ষেত্ৰত বিস্তৰ পৰিৱৰ্তন সাধন কৰাৰ লগতে প্ৰশাসনিক বিষয়া নিযুক্তি দিছে। দিছপুৰৰ অসম সচিবালয়ে কালি এখন জাননীৰ জৰিয়তে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জয় বিকাশক ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত হিচাপে নিযুক্তি দিয়াৰ কথা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে উত্তৰ শালমাৰাৰ সহকাৰী জিলা আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰা জয় বিকাশক ডিব্ৰুগড় পৌৰ নিগমৰ লগতে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ উপ-সচিবৰো দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে ঘোষণা কৰি কাম-কাজসমূহ আগবঢ়াই নিয়াৰ বাবে এমাহৰ ভিতৰত পৌৰনিগমৰ মুৰব্বী নিযুক্তি দিয়া হ'ব বুলি ইতিপূৰ্বে ঘোষণা কৰিছিল। এই অনুসৰি বিষয়াগৰাকীক নিযুক্তি দিয়া হৈছে।

০০০০০০০

অঙ্গনবাড়ী কেন্দ্ৰসমূহত সেৱাৰ মান উন্নত কৰাৰ লক্ষ্যৰে কালি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ, ধেমাজি আৰু শিৱসাগৰ জিলাত অঙ্গনবাড়ী কৰ্মীসকলৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে। শিৱসাগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে ৯০ গৰাকী অঙ্গনবাড়ী কৰ্মীক স্মাৰ্ট ফোন প্ৰদান কৰে। ডাঃ পেগুৱে সমাজ কল্যাণ বিভাগৰ এই পদক্ষেপে তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ ডিজিটেল সৱলীকৰণৰ দিশত উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। ডাঃ পেগুৱে অঙ্গনবাড়ী কৰ্মীসকলক শিশুৰ যত্ন আৰু পৰিপুষ্টি তথা বিকাশৰ প্ৰতি গুৰুত্ব আৰোপেৰে জিলাখনৰ কেন্দ্ৰসমূহৰ পৰিচালনাত নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে তেওঁ ধেমাজি সমষ্টিৰ ৩৭৬ গৰাকী আৰু লখিমপুৰত ৩ হেজাৰ গৰাকী অঙ্গনবাড়ী কৰ্মীৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে।

০০০০০০০

সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত পৰৱৰ্তী তিনিমাহৰ বাবে আগতীয়াকৈ চাউল আবণ্টন দিছে। ডিব্ৰুগড় জিলা প্ৰশাসনেও এই যোজনাৰ অধীনত পৰৱৰ্তী তিনিমাহলৈ হিতাধিকাৰীসকলক একেবাৰতে চাউল বিতৰণ কৰাৰ ব্যৱস্থা লৈছে। এই অনুসৰি হিতাধিকাৰীসকলে প্ৰতিটো মাহত লাভ কৰা চাউলৰ তথ্য পৃথকে পৃথকে প্ৰমাণীকৰণ কৰিব লাগিব। এই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জুন, জুলাই আৰু আগষ্টৰ বাবে অহা ১ জুনৰ পৰা ২০ জুনলৈ অন্নসেৱা দিন নিৰ্ধাৰণ কৰি এই সময়ছোৱাৰ ভিতৰত নিকটৱৰ্তী সুলভ মূল্যৰ এজেণ্টৰ পৰা নিজৰ চাউলসমূহ সংগ্ৰহ কৰিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ জাৰি কৰিছে।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰেৰ ভাৰতীয় বন সেৱা বিষয়াৰ পৰিবেশ তন্ত্ৰ স্বাস্থ্য পত্ৰ প্ৰস্তুতকৰণ শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ আয়োজন কৰিছে। পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থসাহায্যত অনুষ্ঠিত এই কৰ্মশালাত দেশৰ ৭ খন ৰাজ্যৰ ১০ গৰাকী উচ্চ পদস্থ বিষয়াই অংশগ্ৰহণ কৰিছে। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী তথা পাঠ্যক্ৰম সঞ্চালক ৰাজীৱ কুমাৰ কলিতাৰ দ্বাৰা পৰিচালিত এই প্ৰশিক্ষণত পৰিবেশ তন্ত্ৰ সেৱা, জীৱিকা আৰু পৰিবেশতন্ত্ৰ স্বাস্থ্য পত্ৰ, সমতূল্য অৰ্থনৈতিক মূল্য চিনাক্তকৰণ আদি বিভিন্ন দিশ সামৰি অভিজ্ঞ সমল ব্যক্তিয়ে প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষণৰ লগত সংগতি ৰাখি আজি প্ৰশিক্ষাৰ্থীসকলক শিৱসাগৰৰ বৰপুখুৰীত পৰিবেশতন্ত্ৰ স্বাস্থ্য পত্ৰৰ তথ্য সংগ্ৰহৰ বাবে লৈ যোৱা হয়। বন বিষয়াসকলে এই প্ৰশিক্ষণৰ অংশ হিচাপে জৈৱ বৈচিত্ৰ আৰু পৰিবেশতন্ত্ৰ অধ্যয়নৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব।

০০০০০০০

সেনাবাহিনীৰ অদম্য সাহস আৰু পৰাক্ৰমৰ প্ৰতি সন্মান জনাই ডিব্ৰুগড়ত কালি ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সচেতন মহিলা মঞ্চ ডিব্ৰুগড়ৰ সৌজন্যত অনুষ্ঠিত এই কাৰ্যসূচীত অপাৰেচন সিন্দূৰৰ সফলতাৰ বাবে সেনাবাহিনীক শ্ৰদ্ধা জনোৱা হয়। অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, পৰ্যটন উদ্যোগ নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰসহ কেইবাগৰাকীও লোক উপস্থিত থাকে।

চৰাইদেউ জিলাৰ সোণাৰীত অপাৰেচন সিন্দূৰৰ সফলতাৰ বাবে কালি অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। সচেতন মহিলা মঞ্চৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু সেনাবাহিনীৰ সাহস তথা বীৰত্বৰ বিষয়ে আলোকপাত কৰা হয়। অনুষ্ঠানত সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু জিলা আয়ুক্ত ডাঃ নেহা যাদৱে বক্তব্য প্ৰদান কৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজিত নৱনিৰ্মিত ধেমাজি জনজাতি জিৰণী চ'ৰাৰ গৃহ উদ্বোধন কৰে। অনুসূচিত জাতিৰ পৰিচালন সঞ্চালক বিভাগৰ ২০২২-২৩ বৰ্ষৰ আঁচনিৰ ৩ কোটি টকা আবণ্টনেৰে নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা জিৰণী চ'ৰাই জিলাখনৰ লোকসকলক উপকৃত কৰিব বুলি মন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

০০০০০০০

যোৰহাটৰ সমাজকৰ্মী তথা সংগঠক, শিশু প্ৰেমী বুধিন শইকীয়াৰ কালি মৃত্যু হয়। পুৱা বান্দৰ খেদিবলৈ গৈ হঠাৎ অচেতন হৈ পৰা শইকীয়াক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎকে মৃত ঘোষণা কৰে। সদৌ অসম মইনা পাৰিজাতে শিশু বন্ধু আৰু অগ্ৰণী অনুষ্ঠান সেৱাই শিশুহিতব্ৰতী সন্মান আগবঢ়োৱা শইকীয়াৰ মৃত্যুত বয়স হৈছিল ৮৭ বছৰ। তেওঁ ১৯৬২ চনত কল্যাণী শিশু কেন্দ্ৰ গঠন কৰি সমাজলৈ সেৱা আগবঢ়াই আহিছিল।

০০০০০০০

**সমাপ্ত**